অৱস্থাত এখন তীব্ৰবেগী চাৰিচকীয়া বাহনে দুয়োজনকে চাইকেলসহ মহটিয়াই নিছিল। পিচত দুয়োকে পাঠশালাৰ ছহিদ মদন ৰাউতা

সাংবাদিকতা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰ-ছাত্ৰীৰ পৰা ধন সংগ্ৰহ কৰে। ৮ জুনতো যুৱ-ছাত্ৰ পৰিষদৰ বজালী মহাবিদ্যালয় গেট আৰু বজালী মহাবিদ্যালয়ৰ সাংবাদিকতা বিভাগৰ

সংগঠন, ব্যক্তিবিশেষৰ পৰা আৰ্থিক সহায়ৰ বাবে অনুৰোধ জনাইছে। নয়নক সহায় কৰিবলৈ ৯৫০৮৯-৭৪১২৪ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালবৰ্গই আহ্বান জনায়।



# উত্তৰ গুৱাহাটী-চাংসাৰি-হাজোত পৰিবেশ দিৱস পালন

**প্ৰতিদিন সেৱা, উত্তৰ গুৱাহাটী, ৮ জুন ঃ** উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ উদ্যোগত আৰু কামৰূপ জিলা প্ৰশাসন, চিলা বনাঞ্চলিক বিষয়া, কামৰূপ জিলা পৰিবহণ বিষয়া, শৰাইঘাট হাইস্কুল আৰু উত্তৰ গুৱাহাটী অভয়পুৰৰ অগ্ৰণী সামাজিক অনুষ্ঠান ৰ'দালি সংঘ আৰু পুথিভঁৰালৰ সহযোগত ৪ আৰু ৫ জুনত বিশ্ব পৰিবেশ দিৱসৰ লগতে অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। শৰাইঘাট হাইস্কুলত অনুষ্ঠিত দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰে কামৰূপৰ উপায়ুক্ত কমল কুমাৰ বৈশ্যই। উপায়ুক্ত বৈশ্যই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত দদৰা শংকৰদেৱ জাতীয় বিদ্যালয়ৰ পৰা অষ্টম স্থান দখল কৰা অংকুৰজ্যোতি ঠাকুৰীয়াৰ লগতে বৃহত্তৰ উত্তৰ গুৱাহাটীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত ষ্টাৰ আৰু ডিষ্টিংচন নম্বৰ লাভ কৰা ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে। সভাত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি আউনীআটীৰ কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কালীকান্ত চক্ৰৱৰ্তীয়ে প্ৰদূষণ ৰোধ কৰিবলৈ হ'লে প্লাষ্টিক বৰ্জন কৰিবলৈ আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী আই আই টিৰ জনসম্পৰ্কৰক্ষী বিষয়া লৰণু কোঁৱৰে। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ সভাপতি দিগন্ত বৰদলৈয়ে সঞ্চালনা কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰূপক ডেকাই। শৰাইঘাট হাইস্কুলৰ প্ৰধান শিক্ষক তিলক গোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা সভাত আমন্ত্ৰিত অতিথিৰ ভাষণ প্ৰদান কৰে জিলা পৰিবহণ বিষয়া প্ৰবীণ বিহাৰী দাসে। সভাত পৰিবেশ সুৰক্ষিত কৰি ৰখাৰ বাবে প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীকে একোটিকৈ গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায় চিলা বনাঞ্চলিক বিষয়া ৰবীন বৈশ্যই। বৈশ্যই আৰ্থিকভাৱে দুৰ্বল ছাত্ৰী মমী দাসক এককালীন আৰ্থিক সাহায্য আগবঢ়ায়। সভাত উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ দ্বাৰা আয়োজিত অভিনন্দন গ্ৰহণ কৰি সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অষ্টম স্থান দখল কৰা কৃতী ছাত্ৰ অংকুৰজ্যোতি ঠাকুৰীয়াই কয়— লক্ষ্য আৰু উদ্দেশ্য যদি স্থিৰ হয়, জীৱনত সফলতা আহিবই। সভাত বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ষ্টাৰ আৰু ডিষ্টিংচন লাভ কৰা ৩৬ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে বিশ্ব পৰিবেশ দিৱস উপলক্ষে আয়োজন কৰা চিত্ৰাংকণ, কবিতা আবৃত্তি আৰু ৰচনা প্ৰতিযোগিতাৰ বঁটাপ্ৰাপকসকলক বঁটা প্ৰদান কৰা হয়।

■ **চাংসাৰিৰ প্ৰতিদিন বিশেষ সংবাদ ঃ** আঠীয়াবৈৰ বেচৰকাৰী সংস্থা 'ফিৰিঙতি'য়ে বিশ্ব পৰিবেশ দিৱস পালন কৰে। কামৰূপ জিলাৰ চাংসাৰিৰ সমীপৱৰ্তী আঠীয়াবৈ, বনমাজা, মলং, হাঠিয়ানা, চেপ্তী আদিকে ধৰি কেইবাটাও অঞ্চলত সৰ্বমুঠ ১০০০টা গছপুলি বিতৰণ কৰে ফিৰিঙতিয়ে। গাঁওকেই [illegible] প্ৰতিখন বিদ্যালয়, নামঘৰ, চিকিৎসালয় অংগনৱাড়ী কেন্দ্ৰত সংস্থাটোৰ সভাপতি সুলভ কলিতা আৰু সম্পাদক ভৃগু কুমাৰ পাটোৱাৰীয়ে নাহৰ, বকুল, দেৱদাৰু, জলফাই, আমলখি, মহানিমকে ধৰি বিভিন্ন গছপুলি বিতৰণ কৰে। আনহাতে এ বি ভি পিৰ বোৰ্কা শাখাই পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি কামৰূপ জিলাৰ চাংসাৰিৰ সমীপৱৰ্তী পূব বোৰ্কা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। ইফালে শৰাইঘাট এডভেঞ্চাৰ টুৰিজিমৰ উদ্যোগতো চাংসাৰিৰ সমীপৱৰ্তী দীঘলী বিলৰ পাৰত কেইবা শতাধিক গছপুলি ৰোপণ কৰা হয়। সেইদৰে চাংসাৰিৰ শৰাইঘাট পীচ ফাউণ্ডেচনে দুদিনীয়া কাৰ্যসূচীৰে চাংসাৰি, বোৰ্কা, দক্ষিণ আঠীয়াবৈ, নাৰেংগীকে ধৰি ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানত গছপুলি ৰোপণ কৰে।

■ **হাজোৰ প্ৰতিদিন সেৱা ঃ** বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি পাঁচ জুনত সুৰেন দাস কলেজৰ সম্প্ৰসাৰণ কোষৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতীয়ে। মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° ৰীপিমা বুজৰবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা এই সভাতে কেইবাগৰাকী অধ্যাপকে বিশ্ব পৰিবেশ দিৱসৰ তাৎপৰ্য উল্লেখ কৰে। অধ্যাপিকা ড° বিনীতা দাসে আঁত ধৰা সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ কোষে হাইস্কুল পৰ্যায়ৰ মাজত 'প্ৰাকৃতিক পৰিবেশ আৰু আমাৰ কৰ্তব্য' শীৰ্ষক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সভাত বিজয়ী প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণ কৰে। এই সভাতে মহাবিদ্যালয়খনৰ পৰা উচ্চতৰ মাধ্যমিক কলা আৰু বিজ্ঞান শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলকো সম্বৰ্ধনা জনায়। ইয়াৰ পূৰ্বে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে।

অংশগ্ৰহণ কৰে। নাগপুৰত অনুষ্ঠিত মহিলাসকলৰ ভাৰতৰ বিভিন্ন প্ৰান্তৰ



অনিমেষ বৰ্মন মুখ্য অতিথি